লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# কি বিচাৰি ফুৰিছা সিদ্ধাৰ্থ

✍ **প্ৰাঞ্জল তালুকদাৰ**

এই গহন নিজান বাটত
কি বিচাৰি ফুৰিছা সিদ্ধাৰ্থ

এন্ধাৰত উচুপি আছে যশোধৰা
ৰাহুলে খেপিয়াই চাইছে বিচনা
পিতা ক'লৈ গ'ল
ক'লৈ গ'ল পিতা!

বোধিদ্ৰুমৰ তলত
আছেনে নিৰ্বাণৰ সেউজীয়া তোৰণ
বাজেনে
তাত মায়াৰ মৰণগীত
ফুলেনে মোক্ষৰ ফুলনি

কি বিচাৰি ফুৰিছা সিদ্ধাৰ্থ
নিৰ্বাণৰ ছাঁ
নে
মৰানদীৰ পাৰৰ মাটি এটুকুৰা!!

**যোগাযোগৰ ঠিকনা:**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
পাণ্ডু মহাবিদ্যালয়, গুৱাহাটী-১২